নং ঃ ৭৫/২০২০

# বিশিষ্ট মুক্তিযোদ্ধা, অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি যতীন গোস্বামীৰ স্বাস্থ্যৰ বুজ ল'লে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাই

## বিশিষ্ট মুক্তিযোদ্ধা গৰাকীৰ চিকিৎসাৰ বাবে আৰ্থিক সাহায্য আগবঢ়ালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশ ক্ৰমে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে আজি বিশিষ্ট মুক্তিযোদ্ধা, লেখক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি যতীন গোস্বামীৰ শিলপুখুৰীস্থিত বাসগৃহলৈ গৈ তেখেতৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি আশু আৰোগ্য কামনা কৰে। উল্লেখ্য যে বিশিষ্ট মুক্তিযোদ্ধা গৰাকী বৰ্তমান অসুস্থ হৈ আছে।

আনহাতে বিশিষ্ট মুক্তিযোদ্ধা যতীন গোস্বামীৰ চিকিৎসাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ৫০ হাজাৰ টকা আগবঢ়াইছে। মুখ্যমন্ত্ৰীয়ে লগতে বিশিষ্ট মুক্তিযোদ্ধা গৰাকীৰ আশু আৰোগ্যও কামনা কৰিছে।

বঃভাঃ / পুঃডেঃ
১৮/০২/২০২০